নং ঃ ৪৩৮/২০২০

# ভিডিঅ’ সাংবাদিক ৰিপুল কলিতাৰ বিয়োগত মুখ্যমন্ত্ৰীৰ শোক প্ৰকাশ

**দিছপুৰ, ১৯ জুন ঃ** ভিডিঅ’ সাংবাদিক ৰিপুল কলিতাৰ পৰলোকপ্ৰাপ্তিত গভীৰ শোক প্ৰকাশ কৰিছে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে।

আজি এক শোকবাৰ্তাত মুখ্যমন্ত্ৰী সোণোৱালে কয় যে জীৱনকালত একান্ত নিষ্ঠা আৰু ঐকান্তিকতাৰে প্ৰয়াত ৰিপুল কলিতাই ৰাজ্যখনৰ সংবাদ জগতলৈ যি সেৱা আগবঢ়াই গ’ল সেয়া জনসাধাৰণে শ্ৰদ্ধাৰে স্মৰণ কৰিব। প্ৰয়াত কলিতাই নাতিদীৰ্ঘ সময়ছোৱাত ভিডিঅ’ সাংবাদিকতা জগতলৈ উল্লেখযোগ্য বৰঙনি আগবঢ়াই গৈছে।। এইগৰাকী সাংবাদিকৰ বিয়োগ আমাৰ সমাজ জীৱনৰ বাবে অপূৰণীয় ক্ষতি বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

মুখ্যমন্ত্ৰীয়ে প্ৰয়াত ৰিপুল কলিতাৰ বিদেহ আত্মাৰ চিৰশান্তিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনোৱাৰ উপৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে।

**পুঃডেঃ**
**১৯/০৬/২০২০**